### ধূপধৰাৰ বিকালী মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহত টংকেশ্বৰ ৰাভা

# ইণ্টাৰনেটৰ পৰিৱৰ্তে পুথিগত শিক্ষাত আকৃষ্ট হওক




**নিয়মীয়া বাৰ্তা, ধূপধৰা, ১০ জুন ঃ** ইণ্টাৰনেটৰ শিক্ষাৰ পৰিবৰ্তে ছাত্ৰ-ছাত্ৰীসকল পুথিগত শিক্ষাৰ প্ৰতি অধিক আকৃষ্ট হ'ব লাগে। পাঠ্যক্ৰমৰ শিক্ষাহে প্ৰকৃত শিক্ষা। মানৱ সম্পদ গঢ়াৰ ক্ষেত্ৰত পাঠ্যক্ৰম শিক্ষাই এক লেখত ল'বলগীয়া ভূমিকা পালন কৰে। লগতে ছাত্ৰ-ছাত্ৰীসকলে ইণ্টাৰনেটৰ সদ্ব্যৱহাৰ কৰাৰ সমান্তৰালকৈ পিতৃ-মাতৃৰ সপোন সাৰ্থক কৰাৰ বাবে আপ্ৰাণ চেষ্টা কৰা উচিত।— এই মন্তব্য ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাৰ। গোৱালপাৰা জিলাৰ পূব প্ৰান্তৰ বৃহত্তৰ ধূপধৰা অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ বিকালী মহাবিদ্যালয়ৰ মহাবিদ্যালয় সপ্তাহৰ আজি মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি এইদৰে ছাত্ৰ-ছাত্ৰীসকলৰ দায়বদ্ধতাৰ বিষয়ে মন্তব্য আগবঢ়ায়। ইফালে, শীঘ্ৰে ৰাভা হাছং এলেকাৰ বিশগৰাকীকৈ ছাত্ৰ-ছাত্ৰীক প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'ব পৰাকৈ ১০ পৃষ্ঠাত

# ইণ্টাৰনেটৰ পৰিৱৰ্তে পুথিগত শিক্ষাত আকৃষ্ট হওক

ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ পুঁজিৰে কোচিঙৰ ব্যৱস্থা কৰা হ'ব বুলিও মন্তব্য কৰে। ইফালে, বিগত ৮ জুনৰ পৰা বিকালী মহাবিদ্যালয়ত আয়োজন কৰা মহাবিদ্যালয় সপ্তাহৰ আজি সফল সামৰণি পৰে। তিনিদিনীয়াকৈ আয়োজন কৰা মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত খেল-ধেমালি, সাহিত্য বিভাগৰ প্ৰতিযোগিতাৰ লগতে মিষ্টাৰ বিকালী শৰীৰ চৰ্চা, মিষ্টাৰ বিকালীয়ান প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। ৯ জুনত পুৱা বিকালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ গগৈয়ে পতাকা উত্তোলন কৰাৰ পিছতে দুধনৈ সমষ্টিৰ বিধায়ক যাদৱ স্বৰ্গীয়াৰীয়ে সাংস্কৃতিক শোভাযাত্ৰাৰ শুভ উদ্বোধন কৰে। আজি পুৱা প্ৰাচীৰ পত্ৰিকা উন্মোচনৰ লগতে ভেশছন প্ৰতিযোগিতাৰ আয়োজন কৰাৰ পিছতে মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠানৰ আয়োজন কৰা হয়।